# 'অৰুন্ধতী' স্বৰ্ণ উপহাৰ আঁচনি ৰূপায়নৰ বাবে নীতি-নিৰ্দেশনা

**ক) পাতনি ঃ** আমাৰ দেশৰ বহুতো অঞ্চলত কন্যা শিশু এটিক বাল্য বিবাহ, কন্যা ভ্ৰূণ হত্যা, যৌতুক ইত্যাদিৰ লেখীয়া বিভিন্ন সামাজিক ব্যাধিয়ে আগুৰি আছে। কিন্তু সৌভাগ্য বশতঃ মনত পৰা দিনৰে পৰা অসমীয়া সমাজখন এই ব্যাধিসমূহৰ পৰা মুক্ত হৈ আছে। যদিওবা অসমত যৌতুক প্ৰথাৰ প্ৰচলন নাই, তথাপিও এজনী ছোৱালীৰ বিয়াৰ সময়ত তাইক তাইৰ পিতৃ-মাতৃয়ে কিবা এটা দিবলৈ বিচাৰে। সামাজিক আৰু অৰ্থনৈতিক মৰ্যাদা নিৰ্বিশেষে পিতৃ-মাতৃসকলে তেওঁলোকৰ সন্তানক প্ৰেম, আশীৰ্বাদ তথা উপহাৰ প্ৰদানৰ সপোন দেখে। কিন্তু বহুতৰ বাবে তেওঁলোকৰ অৰ্থনৈতিক দুৰ্বলতাৰ হেতু এই সপোনবোৰ অপূৰ্ণ হৈ ৰয়। সোনক সদায়ে পৱিত্ৰ আৰু এবিধ সম্পদ হিচাপে গন্য কৰা হয়। পিতৃ-মাতৃসকলে বিশ্বাস কৰে যে সোনৰ অলংকাৰৰ উপহাৰে তেওঁলোকৰ কন্যাৰ সামাজিক তথা অৰ্থনৈতিক মৰ্যাদা বৃদ্ধি কৰিব।

**খ) উদ্দেশ্য ঃ** অসম চৰকাৰে চলিত বিত্তীয় বৰ্ষ ২০১৯-২০ ৰ পৰা 'অৰুন্ধতী" নামৰ এখন নতুন আঁচনি প্ৰবৰ্তন কৰিবলৈ সিদ্ধান্ত গ্ৰহন কৰিছে। ২০১৯-২০ বৰ্ষত অসমৰ মাননীয় বিত্ত মন্ত্ৰীৰ বাজেট ভাষণৰ পইণ্ট নং- ৪০ ত এই কথা ঘোষণা কৰা হৈছে।

এই আঁচনিৰ লক্ষ্য হৈছে অৰ্থনৈতিক ভাৱে দুৰ্বল পিতৃ-মাতৃসকলক তেওঁলোকৰ কন্যাক বিয়াৰ সময়ত উপহাৰ হিচাপে সোন প্ৰদান কৰিবলৈ সমৰ্থ কৰি তোলা, যিসকলে অন্যান্য পিতৃ-মাতৃৰ নিচিনাই সোনক পৱিত্ৰ হিচাপে গন্য কৰি তেওঁলোকৰ কন্যাক বিয়াৰ সময়ত অলপ সোন উপহাৰ দিবলৈ বিচাৰে। এনে ধৰনৰ যিসকল পিতৃ-মাতৃয়ে ছোৱালীৰ বিয়া পাতিবলৈ বিচাৰি সোন ক্ৰয় কৰিবলৈ বিচাৰে, তেওঁলোকলৈ ৩০,০০০ টকা আশীৰ্বাদৰ এক উপহাৰ হিচাপে প্ৰদান কৰি চৰকাৰে এনে পিতৃ-মাতৃৰ আনন্দৰ সমভাগী হ'ব বিচাৰে।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা (পঞ্জীয়ন) বিভাগ হ'ব অৰুন্ধতী স্বৰ্ণ উপহাৰ আঁচনি ৰূপায়নৰ বাবে ন'ডেল বিভাগ।

**গ) যোগ্যতাৰ মাপকাঠী ঃ** এই আঁচনিৰ অধীনত যোগ্যতাৰ মাপকাঠী হৈছে তলত দিয়া ধৰণৰঃ-

১) বিবাহ পঞ্জীয়নৰ সময়ত কইনা আৰু দৰাৰ **নূন্যতম** বয়স ক্ৰমে ১৮ বছৰ আৰু ২১ বছৰ হ'ব লাগিব।

২) আৱেদনকাৰীৰ বিবাহ বিশেষ বিবাহ আইন, ১৯৫৪-ৰ অধীনত পঞ্জীয়নভুক্ত হ'ব লাগিব।

৩) আৱেদনকাৰী গৰাকী ২০১৯ ৰ **১** ডিচেম্বৰত বা তাৰ পিছত বিবাহ সম্পন্ন কৰা হ'ব লাগিব।

৪) আৱেদনকাৰী গৰাকীয়ে ২০২০ ৰ ১ জানুৱাৰীত বা তাৰ পিছত বিবাহৰ পঞ্জীয়ন কৰা হ'ব লাগিব।

Scanned by CamScanner

৫) আবেদনকাৰী কন্যাগৰাকীয়ে বিবাহ পঞ্জীয়নৰ বাবে কৰা আৱেদনৰ দিনাখন অৰুন্ধতী স্বৰ্ণ উপহাৰ আঁচনিৰ অধীনত পাবলগীয়া লাভালাভৰ বাবে আৱেদন কৰিব লাগিব।

৬) আৱেদনকাৰী কন্যাগৰাকীৰ পিতৃ-মাতৃৰ মুঠ বাৰ্ষিক আয় ৫ লাখ টকাতকৈ কম হ'ব লাগিব।

৭) আৱেদনকাৰী কন্যা গৰাকীয়ে তেওঁৰ কেবল প্ৰথম বিবাহৰ বাবেহে এই লাভালাভৰ সুবিধা লব পাৰিব।

৮) ৰাজ্যখনৰ আদিবাসী সম্প্ৰদায়সমূহ আৰু চাহ জনজাতিৰ লোকসকলৰ বাদে বাকী সকলো শ্ৰেণীৰ কইনা আৰু দৰা দুয়োগৰাকীয়ে কমেও হাইস্কুল শিক্ষান্ত পৰীক্ষাত (HSLC) বা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

৯) পৰৱৰ্তী পাঁচ বছৰৰ বাবে আদিবাসী সম্প্ৰদায়কে ধৰি চাহ- জনজাতিৰ লোকসকলৰ ক্ষেত্ৰত কোনো নূন্যতম শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই, কিয়নো অসমৰ বেছি ভাগ চাহ বাগিচাতে হাইস্কুলৰ সুবিধা নাই।

**ঘ) আৱেদনকাৰী কন্যাগৰাকীৰ যোগ্যতাৰ মাপ-কাঠী নিৰ্ণয় কৰিবলৈ প্ৰয়োজন হোৱা নথি-পত্ৰ ঃ**

১) বয়সৰ প্ৰমাণৰ বাবে নথি -

ক) চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ক বাদ দি- বয়সৰ প্ৰমাণ হিচাপে HSLC /CBSE নাইবা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণৰ প্ৰমান-পত্ৰ, যাৰ দ্বাৰা কইনা গৰাকীৰ বয়স আইনৰ দৃষ্টিত ১৮ বছৰ আৰু দৰাৰ বয়স ২১ বছৰ হ'ব লাগিব।

খ) আদিবাসী সম্প্ৰদায়কে ধৰি চাহ জনজাতিৰ ক্ষেত্ৰত বিশেষ বিবাহ আইন, ১৯৫৪ ৰ অধীনত কইনা আৰু দৰাৰ বয়স যথাক্ৰমে ১৮ বছৰ আৰু ২১ বছৰ হোৱাটো প্ৰতিপন্ন কৰিবলৈ বিবাহ পঞ্জীয়নৰ সময়ত বয়সৰ প্ৰমান হিচাপে জাননীকৃত কৰ্তৃপক্ষই প্ৰদান কৰা কইনা আৰু দৰা-দুয়োগৰাকীৰ জন্মৰ প্ৰমান পত্ৰ নাইবা কোনো শিক্ষাগত প্ৰমাণ-পত্ৰ নাইবা উপযুক্ত কৰ্তৃপক্ষৰ পৰা স্বাস্থ্য পৰীক্ষাৰ জৰিয়তে লাভ কৰা প্ৰমাণ-পত্ৰ জমা দিব লাগিব।

(২) বিশেষ বিবাহ (অসম) আইন, ১৯৫৪ ৰ চতুৰ্থ অনুসূচীত সন্নিবিষ্ট প্ৰ-পত্ৰত বিবাহ বিষয়াই প্ৰদান কৰা বিবাহৰ প্ৰমাণ-পত্ৰৰ প্ৰত্যায়িত নকল।

(৩) কন্যাগৰাকীয়ে তেওঁৰ পিতৃ-মাতৃৰ সৈতে স্থায়ীভাবে বসবাস কৰা এলেকাৰ চক্ৰ বিষয়া গৰাকীয়ে প্ৰদান কৰা পিতৃ-মাতৃৰ আয়ৰ প্ৰমাণ-পত্ৰ।

(৪) হিতাধিকাৰী গৰাকীৰ বেংক একাউন্টৰ বিৱৰন / বেংক পাচবুকৰ নকল।

(৫) আবেদনকাৰী কন্যা গৰাকীৰ এইখনেই প্ৰথম বিয়া বুলি তাই পিতৃ-মাতৃৰ সৈতে বাস কৰা গাঁওখনৰ গাঁওবুঢ়া / মৌজাদাৰে প্ৰদান কৰা প্ৰমাণ-পত্ৰ।

Scanned by CamScanner

**ঙ) কেনেদৰে আৱেদন কৰিব ঃ**

১) বিশেষ বিবাহ আইন, ১৯৫৪ ৰ অধীনত বিবাহ পঞ্জীয়নৰ বাবে আৱেদন কৰাৰ দিনাই আৱেদনকাৰী গৰাকীয়ে "অৰুন্ধতী স্বৰ্ণ উপহাৰ আঁচনি"ৰ বাবে আৱেদন কৰিব লাগিব।

২) আৱেদনকাৰীগৰাকীয়ে বিবাহৰ বাবে কৰা আৱেদনৰ সৈতে ইতিমধ্যে পূৰণ কৰা আৱেদন প্ৰ-পত্ৰখন বিবাহ পঞ্জীয়নৰ বাবে আৱেদন কৰা বিবাহ বিষয়াৰ কাৰ্যালয়ত দাখিল কৰিব লাগিব।

৩) অৰুন্ধতী স্বৰ্ণ আঁচনিৰ অধীনত লাভালাভ (Benefit) দাবী কৰাৰ বাবে আৱেদনকাৰী কন্যা গৰাকীয়ে অনলাইন যোগেও আৱেদন কৰিব লাগিব। অনলাইন আৱেদন প্ৰ-পত্ৰখন লিংক "revenueassam.nic.in"ত উপলব্ধ হ'ব।

৪) প্ৰ-পত্ৰখন পূৰন কৰাৰ পিছত আৱেদনকাৰী গৰাকীয়ে প্ৰ-পত্ৰখনৰ শেষত থকা " Submit Button" টো হেচি দি অনলাইনত দাখিল কৰিব লাগিব আৰু লগতে প্ৰ-পত্ৰখনৰ এটা প্ৰিন্ট উলিয়াই লব লাগিব।

৫) আৱেদনকাৰীয়ে প্ৰ-পত্ৰ জমা দিয়াৰ পূৰ্বে প্ৰ-পত্ৰখনৰ প্ৰিন্ট-আউট লৈ তাৰ 'ঘোষণা' (Declaration) অংশত স্বাক্ষৰ কৰিব লাগিব আৰু ওপৰত উল্লেখিত 'পইণ্ট ঘ ' ত উল্লেখ কৰা নথিসমূহৰ নকলৰ সৈতে প্ৰ-পত্ৰখন সংশ্লিষ্ট বিবাহ পঞ্জীয়ন বিষয়াৰ কাৰ্যালয়ত কায়িকভাৱে জমা দিব লাগিব। অৰুন্ধতী স্বৰ্ণ উপহাৰ আঁচনিৰ অধীনত জমা দিব লগা আৱেদন পত্ৰ আৰু সংলগ্ন নথিসমূহ যি উপ-পঞ্জীয়কৰ কাৰ্যালয়ত জমা দিব লাগিব সেয়া নীতি- নিৰ্দেশনাৰ 'পইণ্ট (চ)' ত উল্লেখ কৰা হৈছে।

৬) আৱেদনকাৰীয়ে আৱেদন আৰু প্ৰয়োজনীয় সংলগ্ন নথি বিবাহ পঞ্জীয়কৰ কাৰ্যালয়ত জমা দিয়াৰ পিছত উক্ত কাৰ্যালয়ৰ পৰা এখন প্ৰাপ্তিস্বীকাৰ পত্ৰ সংগ্ৰহ কৰিব।

৭) আৱেদন গ্ৰহণ/অস্বীকাৰ কৰা তথ্য আৱেদনকাৰীক এছ এম এছ আৰু ই-মেইল (অন্‌লাইন আৱেদন পত্ৰত দিয়া মোবাইল নম্বৰ/ই-মেইল আই ডি) ৰ জৰিয়তে জনোৱা হ'ব।

৮) যদি আৱেদন পত্ৰ গ্ৰহণ কৰা হয় তেনে ক্ষেত্ৰত আঁচনিৰ অধীনত পাবলগীয়া ধনৰাশি আৱেদনকাৰীৰ বেংক একাউণ্টলৈ ডি বি টি যোগে প্ৰেৰণ কৰা হ'ব। এই বেংক একাউণ্টটো অন্‌লাইন আৱেদন পত্ৰৰ সৈতে একে হ'ব লাগিব য'ত আৱেদনকাৰীয়ে বেংক একাউণ্ট নম্বৰ আৰু আই এফ এছ চি কোড উল্লেখ কৰিব।

**(চ) উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ তালিকা ঃ পৰিশিষ্ট এম্**

**ছ) চৰকাৰী প্ৰক্ৰিয়া**

১. ৰাজ্যিক স্তৰত আঁচনিখন কাৰ্যকৰী কৰাৰ দায়িত্বত থকা ন'ডেল বিষয়াজন হ'ব মহাপঞ্জীয়ন পৰিদৰ্শক, অসম, গুৱাহাটী।

২. জিলা স্তৰত আঁচনিখন কাৰ্যকৰী কৰাৰ দায়িত্বত থকা ন'ডেল বিষয়াজন হ'ব বিবাহ পঞ্জীয়ন বিষয়া হিচাপে উপ-পঞ্জীয়কজন। বিবাহ পঞ্জীয়ন বিষয়াসকলৰ তালিকাখন নীতি-নিৰ্দেশনাৰ 'পইণ্ট চ' ত দিয়া হৈছে।

Scanned by CamScanner

৩. পঞ্জীয়নৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি যদিহে প্ৰয়োজন হয় আঁচনিখনৰ উদ্দেশ্য সাধনৰ বাবে চৰকাৰে জাননীৰ জৰিয়তে চক্ৰ বিষয়া/সংযুক্ত চক্ৰ বিষয়াক বিবাহ পঞ্জীয়ন বিষয়া (মেৰিজ্ অফিচাৰ) হিচাপে নিয়োগ কৰিব পাৰে।

৪. বিবাহ পঞ্জীয়ন বিষয়া (ডেপুটী ৰেজিষ্টাৰ/ জ্যেষ্ঠ উপ-পঞ্জীয়ক/উপ-পঞ্জীয়ক) ৰ অন্‌লাইন 'ম'ডুল' ত অৰুন্ধতী আঁচনিৰ অধীনত আৱেদন পত্ৰ কায়িকভাৱে গ্ৰহণ কৰিবলৈ কোন সময়ত তেওঁলোক উপস্থিত থাকিব সেয়া পূৰ্বে উল্লেখ কৰাৰ সুবিধা থাকিব।

৫. যদিহে বিবাহ পঞ্জীয়ন বিষয়াজন আৱেদনকাৰীয়ে জমা দিয়া আৱেদন আৰু সংশ্লিষ্ট নথি সমূহেৰে সন্তুষ্ট হয় তেন্তে তেওঁ 'চিষ্টেম' ত দিয়া তেওঁৰ আই ডি আৰু পাছৱাৰ্ডৰ জড়িয়তে আৱেদন পত্ৰখন অনুমোদন/অগ্ৰাহ্য (কাৰণেৰে সৈতে) কৰিব পাৰে। আৱেদন জমা দিয়াৰ এসপ্তাহৰ ভিতৰত বিবাহ পঞ্জীয়ক বিষয়াজনে আৱেদন অনুমোদন নাইবা অগ্ৰাহ্য কৰাটো নিশ্চিত কৰিব।

৬. ইয়াৰ পৰৱৰ্তী সময়ত আৱেদন অনুমোদিত বা অগ্ৰাহ্য হোৱা সম্পৰ্কীয় তথ্য আৱেদনকাৰীৰ লগতে জিলা ন'ডাল বিষয়া অৰ্থাৎ অসমৰ মহাপঞ্জীয়ন পৰিদৰ্শকক জনোৱা হ'ব।

৭. আবেদনকাৰীৰ বেংক একাউন্ট, আই এফ এছ চি কোড্ , মোবাইল নম্বৰ আৰু ই-মেইল আই ডি ৰ সৈতে অনুমোদিত আবেদনৰ বিশদ বিৰৰণ প'ৰ্টেলৰ আই জি আৰ ৰ পেজত প্ৰতিফলিত হ'ব। মহাপঞ্জীয়ন পৰিদৰ্শকৰ পৃথক লগ্ ইন আই ডি আৰু পাছৱাৰ্ড থাকিব আৰু তেওঁ অনুমোদিত/অগ্ৰাহ্য হোৱা (কাৰণৰ সৈতে) আবেদনসমূহ চাব পাৰিব।

৮. এবাৰ যেতিয়া আবেদন পত্ৰখনক মহাপঞ্জীয়ন পৰিদৰ্শক, অসমৰ দ্বাৰা চূড়ান্তভাৱে অনুমোদন কৰি দিয়া হয়, তেতিয়া ডি বি টি ৰ মাধ্যমেৰে আঁচনিৰ ধনৰাশি হিতাধিকাৰীৰ একাউন্টলৈ পি এফ এম এচ ৰ মাধ্যমেৰে প্ৰদান কৰা হ'ব। এই অনুমোদিত ফাইলটো পি এফ এম এচ ত আপলোড কৰা হ'ব আৰু এইটো একাউন্ট নম্বৰৰ মান্যতা প্ৰাপ্তৰ বাবে স্বয়ংক্ৰিয় ৰূপত বেংকলৈ গুচি যাব। এবাৰ এইটো মান্যতা প্ৰাপ্ত হ'লে ডি এচ চি ৰ দ্বাৰা আই জি আৰ য়ে হিতাধিকাৰী লৈ ধন প্ৰদান কৰিব।

৯. পি এফ এম এচ ৰ জড়িয়তে আবেদনকাৰীৰ গৃহীত আবেদনৰ একাউন্ট নম্বৰলৈ ধন প্ৰদান কৰিবৰ বাবে মহাপঞ্জীয়ন পৰিদৰ্শক, অসমৰ নামত অৰুন্ধতী একাউন্ট থকা বেংকলৈ মহাপঞ্জীয়ন পৰিদৰ্শক, অসমে নিদেৰ্শনা জাৰী কৰিব।

১০. মহাপঞ্জীয়ন পৰিদৰ্শক, অসমৰ নিৰ্দেশ মৰ্মে বেংকে আবেদনকাৰীৰ একাউন্টটো কাৰ্যক্ষম হৈ আছে নে নাই পৰীক্ষা কৰাৰ বাবে ১০ টকা মুকলি কৰি দিব। মহাপঞ্জীয়ন পৰিদৰ্শক, অসমৰ নিৰ্দেশ মৰ্মে আৰু আঁচনিখনৰ অধীনত ৰাখিবলগীয়া অৱশিষ্ট ধনৰাশি অনুসৰি ১০ টকা হস্তান্তৰ নিশ্চিত কৰি হিতাধিকাৰীৰ একাউন্টলৈ প্ৰেৰণ কৰা হ'ব।

১১. মহাপঞ্জীয়ন পৰিদৰ্শকৰ দ্বাৰা বেংকৰ সৈতে সমিল-মিলেৰে প্ৰত্যেক মাহতে ধন হস্তান্তৰৰ ক্ষেত্ৰত এইটো নিশ্চিত কৰিব যাতে তাত কোনো অনিশ্চয়তা নাথাকিব আৰু আঁচনিখন বাধাহীনভাৱে কাৰ্যক্ষম হ'ব।

১২. অৰুন্ধতী স্বৰ্ণ উপহাৰ আঁচনিৰ অধীনত আবেদনকাৰীয়ে পোৱা অনুদানৰ পৰা চলিত ঋণৰ

Scanned by CamScanner

বিপৰীতে কোনো ধন যাতে কৰ্তন কৰা নহয় তাৰ বাবে বেংকক প্ৰয়োজনীয় নিৰ্দেশ জাৰি কৰা হ'ব।

**জ) ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থা -**

(১) জিলা পৰ্যায়ত যদি কোনো অভিযোগ উত্থাপন হয় তেতিয়া সেই সংশ্লিষ্ট জিলাৰ উপায়ুক্ত তথা জিলা পঞ্জীয়ক আপীল বিষয়া হ'ব।

(২) ৰাজ্যিক পৰ্যায়ত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত-সচিব/প্ৰধান সচিব আপীল বিষয়া হ'ব। জিলা উপায়ুক্ত পৰ্যায়ত যদি কোনো অভিযোগ দাঙি ধৰা হয় য'ত জিলা উপায়ুক্তৰ সিদ্ধান্তৰ দ্বাৰা আবেদনকাৰী সন্তুষ্ট নহয় তেতিয়া সেইটো ৰাজ্যিক পৰ্যায়ত উত্থাপন কৰিব পাৰে।

(৩) সুবিধা অনুযায়ী আবেদনকাৰীয়ে তেখেতৰ অভিযোগসমূহ সাধাৰণ এখন পত্ৰৰ দ্বাৰা সংশ্লিষ্ট জিলাৰ উপায়ুক্ত নাইবা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত-সচিব/প্ৰধান সচিব লৈ প্ৰেৰণ কৰিব পাৰে।

(৪) সংশ্লিষ্ট জিলা উপায়ুক্ত নাইবা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত-সচিব/প্ৰধান সচিবে তেনেকুৱা সকলোবোৰ আবেদন মৌখিক নিৰ্দেশৰ যোগেদি অভিযোগ পোৱাৰ এমাহৰ ভিতৰত নিষ্পত্তি কৰিব পাৰে। এইটো সংশ্লিষ্ট আবেদনকাৰীকো অৱগত কৰা হ'ব।

**অসুবিধাজনক দফা অপসাৰণ –**

নীতি-নিৰ্দেশনাৰ কোনো ব্যৱস্থাৱলীৰ বাবে যদি অসুবিধা দেখা দিয়ে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে চৰকাৰৰ আদেশ মৰ্মে এই আঁচনিখনৰ মূল লক্ষ্য উদ্দেশ্যৰ বিসংগতি নোহোৱাকৈ সঠিক সাল-সলনি ঘটাব পাৰিব যিটো এই অসুবিধা সমূহ দূৰ কৰিব বাবে প্ৰয়োজনীয় বুলি পৰিলক্ষিত হয়।

Scanned by CamScanner